DAILY ASSAM

গোট ৫

# মনোযোগ আৰু আগ্ৰহ (খ)

## (ATTENTION AND INTEREST)

বিষয়সূচী

প্ৰস্তাৱনা
১) মনোযোগ (Meaning of attention)
২) মনোযোগৰ স্বৰ্তসমূহ। (Conditions of attention)
৩) মনোযগোৰ প্ৰকাৰ (Types of attention)
৪) আগ্ৰহৰ অৰ্থ (Meaning of Interest)
৫) আগ্ৰহৰ উৎস (Source of Interest)
৬) আগ্ৰহৰ প্ৰকাৰ (Types of Interest)
৭) মনোযোগ আৰু আগ্ৰহৰ সম্বন্ধ (Relation between attention and interest)
৮) শিক্ষাক্ষেত্ৰত মনোযোগ আগ্ৰহৰ গুৰুত্ব(Significance of attention and interest in education)

গোট ৫

# মনোযোগ আৰু আগ্ৰহ (খ)

## ATTENTION AND INTEREST

### উদ্দেশ্য (Objectives) ঃ

ক) মনোযোগ আৰু আগ্ৰহ কি? - এই সম্বন্ধে ছাত্ৰ-ছাত্ৰীক সম্যক ধাৰণা প্ৰদান কৰা।

খ) মনোযোগ আৰু আগ্ৰহৰ বিভিন্ন প্ৰকাৰ সম্বন্ধে অৱগত কৰোৱা।

গ) মনোযোগ আৰু আগ্ৰহৰ কাৰক সম্পৰ্কে অৱগত কৰোৱা।

ঘ) ছাত্ৰ-ছাত্ৰীক মনোযোগ আৰু আগ্ৰহৰ সম্বন্ধৰ বিষয়ে সচেতন কৰা।

ঙ) মনোযোগ আৰু আগ্ৰহে শিক্ষাক্ষেত্ৰত কেনেধৰণৰ প্ৰভাৱ পেলায় সেই সম্বন্ধে আলোচনা আগবঢ়োৱা।

### প্ৰস্তাৱনা ঃ

আমি সকলোৱেই জানো যে আমাৰ মনৰ বিভিন্ন কাৰ্যক্ষমতা আছে। মানসিক এনে ক্ৰিয়াসমূহৰ ভিতৰত মনোযোগ আৰু আগ্ৰহ অন্যতম। পৃথিৱীৰ সকলো জীৱ, ঘাইকৈ মনুষ্য জাতিয়ে জীৱন যুদ্ধত জয়ী হ'বলৈ এই দুবিধ ক্ৰিয়াৰ বিশেষ প্ৰয়োজন। তোমালোকৰ বিদ্যায়তনিক জীৱনৰ কৃতকাৰ্যতাও ঘাইকৈ নিৰ্ভৰ কৰে মনোযোগ আৰু আগ্ৰহৰ ওপৰত। গতিকে এই সম্বন্ধে তোমালোকৰ কিছু ধাৰণা থকা প্ৰয়োজন। এই অধ্যায়ত আমি মনোযোগ আৰু আগ্ৰহৰ অৰ্থ, মনোযোগৰ প্ৰকাৰ, আগ্ৰহ আৰু মনোযোগৰ সম্বন্ধ আলোচনা কৰিম।

### মনোযোগৰ অৰ্থ (Meaning of Attention) ঃ

জীৱনত শিক্ষা, অভিজ্ঞতা লাভ কৰিবলৈ মনোযোগ প্ৰদানৰ বিশেষ প্ৰয়োজন। প্ৰকৃতাৰ্থত মনোযোগ প্ৰদানৰ অবিহনে আমাৰ চাৰিওফালে কি ঘটি আছে তাৰ উমান পোৱা নাযায়। বিজ্ঞানী এজনে নতুন কিবা এটা সৃষ্টি কৰিবৰ বাবে তেওঁ চলোৱা পৰীক্ষণ-নিৰীক্ষণ কাৰ্যত নিশ্চয় মনোযোগ দিব লাগিব। কেৱল সেয়ে নহয় যিকোনো ধৰণৰ সৰু-বৰ সকলো শিক্ষণ-অভিজ্ঞতা লাভৰ বাবে মনোযোগ প্ৰদান নিতান্তই আৱশ্যকীয়।

মনোযোগ কি বা মনোযোগৰ অৰ্থ সম্বন্ধে মনোবিজ্ঞানত ঘাইকৈ দুটা মতবাদ পোৱা যায়। এটা মত দাঙি ধৰিছিল পুৰণি শক্তিতত্ত্ববাদী মনোবিদসকলে। তেওঁলোকৰ ধাৰণামতে মানুহৰ মন কেতবোৰ বিশেষ শক্তিৰ আকৰ স্বৰূপ। গতিকে মনোযোগ হৈছে মনৰ এবিধ বিশেষ শক্তি। এই শক্তি জীৱই জন্মগতভাৱে লাভ কৰে।

কিন্তু আধুনিক মনোবিদসকলে এই ব্যাখ্যা গ্ৰহণ

নকৰে। তেওঁলোকৰ মতে মনোযোগ মনৰ বিশেষ শক্তি নহয়। ই এবিধ মানসিক ক্রিয়াহে। এই ক্রিয়াৰ ক্ষেত্রত মনৰ সচেতনতাক সংযত ৰাখি পৰিৱেশৰ কোনো বিষয় বা বস্তুৰ ওপৰত ইয়াক কেন্দ্রিভূত বা নিবদ্ধ কৰা হয়। আন অৰ্থত আমাৰসচেতন মনক কিবা বিষয়বস্তুৰ ওপৰত কেন্দ্রিভূত কৰা কাৰ্যই হ'ল মনোযোগ প্ৰদান।

আমাৰ চাৰিওফালৰ পৰিৱেশত বিভিন্ন বস্তু থাকিব পাৰে। কিন্তু এই সকলো বস্তু বা বিষয়ৰ প্রতি একেটা সময়ত মনোযোগ দিয়া নহয়। পৰিৱেশৰ বিভিন্ন কাৰকে উদ্দীপক হিচাপে আমাৰ পঞ্চেন্দ্রিয়ক প্রভাবিত কৰে। কিন্তু এই বিভিন্ন উদ্দীপকৰ প্রত্যেক বিধলৈকে মনোযোগ প্রদান কৰা নহয়। মাত্র সাধাৰণভাৱে সজাগহে হোৱা যায়। পৰিৱেশৰ বিভিন্ন উদ্দীপকৰ পৰা এটা উদ্দীপক নিৰ্দ্ধাৰণ কৰি তাৰ ওপৰত মনৰ সচেতনতাক আৰোপিত কৰা কাৰ্যকে মনোযোগ বোলা হয়। ই মনৰ এবিধ ইচ্ছাকৃত কাৰ্য য'ত মানসিক প্রচেষ্টাৰ প্রয়োজনহয়।

মনোযোগৰ অৰ্থ প্ৰদানৰ ক্ষেত্ৰত ভিন ভিন মনোবিজ্ঞানীয়ে তেওঁলোকৰ নিজস্ব সংজ্ঞা ডাঙি ধৰিছে। তলত কেইটামান মনকৰিবলগীয়া সংজ্ঞা উল্লেখ কৰা হ'ল -

ৰাইবাৰ্ণ (Ryburn) নামৰ মনোবিদ এজনে তেখেতক বিখ্যাত গ্রন্থ "Introduction to Educational Psychology" ত মনোযোগ সম্বন্ধে এনেধৰণে কৈছে —"মনোযোগ ব্যক্তিত্বৰ এনে কাৰ্য য'ত অনুভূতি, ইচ্ছাৰ লগতে বোধশক্তি নামৰ মৌলিক ক্রিয়াও নিহিত থাকে।" (Attention is an activity of the personality and into it enter feeling and will as well as the fundamental activity we call cognition)

জেমছ ৰ'চৰ মতে (James Ross) "মনোযোগ এক প্রক্রিয়া যাৰ জৰিয়তে এক চিন্তনীয় বিষয় মনত স্পষ্ট কৰি তোলা হয়।" ("Attention is a process of getting an object of thought clearly before the mind")

বিখ্যাত মনোবিদ গিলফোৰ্ডৰ মনোযোগ সম্বন্ধে ধাৰণা এনেধৰণৰ —"মনত সক্রিয়ভাৱে নিৰ্বাচনী কাৰ্য অহৰহ চলি থাকে। ব্যক্তি এজনে পৰ্যবেক্ষণ কৰিবলৈ নিৰ্বাচন কৰা কাৰ্যকে মনোযোগ বোলে।"("There is a conscious selection going on. This process of selection of what one is going to observe goes by the name of attention.")

মনোযোগৰ স্বৰূপ স্পষ্টভাৱে আয়ত্ব কৰিবলৈ হ'লে ইয়াৰ বিশেষত্বসমূহৰ বিষয়ে জ্ঞাত হোৱা প্রয়োজন। তলত মনোযোগৰ কেইটামান মনকৰিবলগীয়া বৈশিষ্ট্য উল্লেখ কৰা হ'ল —

**মনোযোগৰ বৈশিষ্ট্য (Characteristics of Attention) ঃ**

ক) মনোযোগ মনৰ শক্তি নহয়, ই এক মানসিক ক্রিয়াহে।

খ) মনোযোগৰ ক্ষেত্ৰত সচেতন মনক পৰিৱেশৰ কোনো বিষয় বা বস্তুৰ ওপৰত আৰোপিত কৰা হয়।

DAILY ASSAM



গ) আমাৰ পঞ্চেন্দ্ৰিয়ক প্ৰভাৱিত কৰা সকলো বিষয় প্ৰতি মনোযোগ প্ৰদান কৰা নহয়, মনোযোগ এটা সময়ত এক বিশেষ বস্তু বা বিষয়ৰ ওপৰতহে নিবদ্ধ কৰা হয়।

ঘ) নিৰ্বাচনধৰ্মিতা মনোযোগৰ এক বিশেষ বৈশিষ্ট্য। মনোযোগ প্ৰদানৰ বাবে মনে সদায় এক বিশেষ বিষয় বা বস্তু নিৰ্বাচন কৰি লয়।

ঙ) মনোযোগ গতিশীল। এটা বস্তু বা বিষয়ৰ ওপৰত মনোযোগবেছি সময় ধৰি ৰাখিব নোৱাৰি। ই এটা বিষয় পৰা আন এটা বিষয়লৈ অতি ক্ষীপ্ৰ গতিকে সঞ্চাৰিত হোৱা দেখা যায়।

চ) মনোযোগৰ আন এটি বৈশিষ্ট্য হ'ল ইয়াৰ নিৰ্দ্ধাৰিণী বা নিয়ন্ত্ৰণমূলক ক্ৰিয়া। মনোযোগ প্ৰদানৰ ক্ষেত্ৰত মনক জোৰ কৰি কোনো বিশেষ বস্তু আৰু বিষয়ৰ ওপৰত নিবদ্ধ বা আৰোপিত কৰা হয়।

ছ) মনোযোগৰ সহায়ত মানুহৰ কৌতুহল পূৰণ হয়। কাৰণ ই ব্যক্তিক অনুসন্ধান কাৰ্যত সহায় কৰে। সেইকাৰণে অনুসন্ধানধৰ্মিতা মনোযোগৰ এক বৈশিষ্ট্য বুলি গণ্য কৰে।

জ) সীমাবদ্ধতা মনোযোগৰ আন এক বৈশিষ্ট্য। এটা বিশেষ সময়ৰ ভিতৰত মাথোন কেইবিধমান বিষয় বা বস্তুৰ প্ৰতিহে মনোযোগ প্ৰদান কৰিব পাৰি। বহুসংখ্যক বিষয়লৈ মনোযোগ প্ৰদান অসম্ভৱ।

**মনত ৰাখিবা**

১। মনোযোগৰ অৰ্থ বা মনোযোগ কি?-এই সম্বন্ধে দুটা মতবাদ দেখিবলৈ পোৱা যায়।
২। পুৰণি শক্তিতত্ত্ববাদী মনোবিদসকলে মনোযোগক মনৰ একধৰণৰ বিশেষ শক্তি বুলি গণ্য কৰিছিল।
৩। আধুনিক মনোবিদসকলে মনোযোগ এক মানসিক ক্ৰিয়া বুলি নিৰ্দ্ধাৰণ কৰিছে।
৪। পৰিৱেশৰ কোনো বিষয়বস্তুৰ ওপৰত মনৰ সচেতনতাক আৰোপিত কৰা কাৰ্যকে মনোযোগ বোলে।
৫। মনোযোগৰ দ্বাৰা বিষয় বা বস্তুত সচেতনত আৰোপিত কৰা।
৬। মনোযোগ নিৰ্বাচধৰ্মী।
৭। মনোযোগ গতিশীল।
৮। মনোযোগ এক নিয়ন্ত্ৰণমূলক ক্ৰিয়া।
৯। মনোযোগ অনুসন্ধানধৰ্মী।
১০। মনোযোগৰ নিৰ্ধাৰিত সীমাবদ্ধতা আছে।

**মনোযোগৰ চৰ্ত্ত বা কাৰণ (Conditions of attention) ঃ**

মনোযোগক মনৰ নিৰ্বাচনধৰ্মী কাৰ্য বুলি কোৱা হয়। বাহ্য জগতৰ অনেক উদ্দীপকে আমাৰ মনত প্ৰভাৱ পেলায় যদিও, সেই বিষয় বিলাকৰ ভিতৰত আটাইতকৈ শক্তিশালী উদ্দীপক বাচি লৈ তাৰ প্ৰতিহে মনোযোগ দিয়া হয়। আন আন উদ্দীপকে মনত এক সাধাৰণ চেতনা অনুভৱ কৰালেও শক্তিশালী উদ্দীপকেহে দেহ-মনত বিশেষভাৱে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। ফলত আমি সেই উদ্দীপকৰ

DAILY ASSAM



প্ৰতি মনোযোগী হওঁ। কিন্তু এইখিনিতে আমাৰ মনত প্ৰশ্ন হয় উদ্দীপকৰ কোন বিলাক বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি আমি কোনো এটা উদ্দীপকক মনোযোগ প্ৰদানৰ বাবে নিৰ্বাচন কৰো? অৰ্থাৎ আমাৰ চৌপাশৰ বিভিন্ন বস্তু, সামগ্ৰী অথবা ঘটনাৰ ভিতৰত মাত্ৰ এটি বা দুটি বস্তুৰ প্ৰতি আমাৰ মনোযোগ কিয় আকৰ্ষিত হয়? প্ৰকৃততে ইয়াৰ কাৰণেই বা কি?

সহজ ভাষাত মানুহৰ মনোযোগ বিশেষকৈ দুটা দিশৰ ওপৰত নিৰ্ভৰ কৰে। এই কাৰণ বা দিশ দুটা হৈছে —

(১) বাহ্যিক বা বস্তুনিষ্ঠ কাৰণ আৰু

(২) আভ্যন্তৰীণ বা ব্যক্তিনিষ্ঠ কাৰণ।

**বাহ্যিক বা বস্তুনিষ্ঠ কাৰণ (Objective or External Condition) :** মনোযোগ অধিকভাৱে বাহ্যজগতৰ বিষয়বস্তুৱে নিৰ্ধাৰণ কৰে। উদ্দীপকৰ কেতবোৰ বৈশিষ্ট্যপূৰ্ণ অৱস্থাই বাহ্যিকভাৱে ব্যক্তি মন আকৰ্ষণ কৰে। এই ক্ষেত্ৰত যিবিলাক বাহিৰা নিৰ্দ্ধাৰকৰ দ্বাৰা মনোযোগ আকৰ্ষিত হয়, তাকেই মনোযোগৰ বাহ্যিক বা বস্তুনিষ্ঠ কাৰণ বোলা হয়। মনোযোগ নিৰ্ভৰ কৰা এনে বাহ্যিক বা বস্তুনিষ্ঠ কাৰণ কিছুমান সংক্ষেপে বৰ্ণনা কৰিব পাৰি —

**(১) আকাৰ বা আকৃতি (Size) :** উদ্দীপকৰ আকৃতি মনোযোগৰ এক উল্লেখযোগ্য কাৰণ, সৰু আকাৰৰ বস্তুতকৈ ডাঙৰ আকাৰৰ বস্তুৰ প্ৰতি আমাৰ মন সহজেই আকৰ্ষিত হয়। সেই কাৰণে ই ডাঙৰ ডাঙৰ আখৰেৰে লিখা বিজ্ঞাপন, পোষ্টাৰ আদি ঠায়ে ঠায়ে আঁৰি দিয়া হয়।

**(২) তীব্ৰতা (Intensity) :** শক্তিশালী উদ্দীপকৰ প্ৰতি আমাৰ মনোযোগ সহজেই আকৰ্ষিত হয়। ক্ষীণ আৰু উচ্চ এই দুই স্বৰৰ ভিতৰত উচ্চ স্বৰৰ প্ৰতি আমাৰ মনোযোগ আকৰ্ষিত হয়। শিক্ষকৰ সুমধুৰ মাতে ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষিত কৰে।

**(৩) নতুনত্ব (Newness) :** বিষয়বস্তুৰ নতুনত্বই আমাৰ মনত আগ্ৰহৰ সৃষ্টি কৰে। সেয়েহে কোনো অভিনৱ বস্তুৰ প্ৰতি আমাৰ মনত সহজে আকৰ্ষিত হয়। এনে কাৰণতে শিশুৰ বাবে নতুন পুতলা, ছাত্ৰৰ বাবে নতুন কিতাপ সদায়ে আকৰ্ষণীয় হয়।

**(৪) গতিশীলতা (Movement) :** স্থিতিশীল বস্তুতকৈ গতিশীল বস্তুৰ মন আকৰ্ষণ কৰিব পৰা ক্ষমতা অধিক। সেইবাবে ৰৈ থকা গাড়ীখনতকৈ গৈ থকা গাড়ীখন আমাৰ অধিক মনোযোগৰ বিষয় হৈ উঠে।

**(৫) উজ্জ্বলতা (Brightness) :** উজ্জ্বল বস্তুৰ প্ৰতি স্বাভাৱিকতেই মন আকৰ্ষিত হোৱা দেখা যায়। সেইবাবে সৰু ল'ৰা-ছোৱালীৰ কিতাপত বিভিন্ন ধৰণৰ উজ্জ্বল ৰঙৰ ছবি ব্যৱহাৰ কৰা হয়।

**(৬) পৰিৱৰ্তন (Change) :** পৰিবেশ পৰিবৰ্তনেও মনোযোগ আকৰ্ষণ কৰে। কাৰণ আমাৰ মনোযোগ স্বাভাৱিকতেই পৰিৱৰ্তনশীল হয়। সেয়েহে ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিবলৈ শিক্ষকে তেওঁৰ ভাৱ-ভঙ্গী, গতিবিধি আৰু মাতৰ পৰিৱৰ্তন কৰা উচিত।

**(৭) গোপনীয়তা (Secrecy) :** কোনো ৰহস্যাবৃত্ত ঘটনাৰ প্ৰতি আমাৰ মনোযোগ সহজে আকৰ্ষিত হয়। বিষয়বস্তুৰ গোপনীয়তাই আমাৰ মনত অধিক কৌতূহল আৰু মনোযোগৰ সৃষ্টি কৰে। সেয়েহে ক'বলৈ মানা কৰা কথা আৰু কৰিবলৈ বাধা দিয়া কামৰ প্ৰতি শিশু অধিক মনোযোগী হৈ উঠা দেখা যায়।

**(৮) পুনৰাবৃত্তি (Repetition) :** কোনো এটা বিষয় বাৰে বাৰে পুনৰাবৃত্তি কৰি থাকিলেও আমাৰ

মনোযোগ তাত নিবদ্ধ হৈ পৰে। শ্ৰেণীত প্ৰথমবাৰ মনোযোগ দিব নোৱাৰা ছাত্ৰৰ প্ৰতি সেয়েহে শিক্ষকে পুনৰাবৃত্তি কৰি থাকিলে তেনে ছাত্ৰই মনোযোগ দি উঠিব পাৰে।

**(৯) বৈসাদৃশ্য (Contrast) :** বৈসাদৃশ্যও এক প্ৰকাৰৰ নতুনত্ব। বহুতো বস্তুৰ মাজত বৈসাদৃশ্য থকা মাত্ৰ এটা বস্তুৱেই আমাক তাৰ প্ৰতি মনোযোগী কৰি তোলে।

**(১০) দীৰ্ঘস্থায়িত্ব (Duration) :** উদ্দীপকৰ স্থায়িত্বৰ ওপৰতো মনোযোগ বহু পৰিমাণে নিৰ্ভৰ কৰে।

**(১১) শৃংখলাবদ্ধতা (Discipline) :** শৃংখলাবদ্ধ আৰু পৰিপাটীকৈ সজাই ৰখা বস্তুৱে সহজেই মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হয়। ইয়াৰ অভাৱত মনোযোগ ক্ষতিগ্ৰস্ত হ'ব পাৰে।

**(১২) অৱস্থিতি (Location) :** বিষয়বস্তু উপস্থাপনৰ এক বিশেষ অৱস্থিতিয়েও ব্যক্তি মনোযোগ আকৃষ্ট কৰা দেখা যায়।

## বস্তুনিষ্ঠ বা আভ্যন্তৰীণ কাৰণ (Subjective or Internal Condition) :

মনোযোগৰ ব্যক্তিসাপেক্ষ বা আভ্যন্তৰীণ কাৰণবিলাকে ব্যক্তিমনৰ সহজাত প্ৰবৃত্তি, অনুভূতি, আগ্ৰহ, শিক্ষা আদি মানসিক অৱস্থাৰ ওপৰত প্ৰতিষ্ঠিত। এইবিলাকক আভ্যন্তৰীণ বোলা হয়। এই কাৰণেই যে এনে মনোযোগ বাহ্যিক পৰিবেশৰ কোনো বিষয়বস্তুৰ দ্বাৰা আকৰ্ষিত হৈ সৃষ্টি নহয়। ই ব্যক্তিৰ একান্ত নিজস্ব মানসিক অৱস্থাৰ ওপৰত নিৰ্ভৰশীল। এনে আভ্যন্তৰীণ বা ব্যক্তিনিষ্ঠ কাৰণসমূহ হ'ল —

**(১) আগ্ৰহ (Interest) :** বিষয়ৰ প্ৰতি আগ্ৰহে মনোযোগ সৃষ্টি কৰে। আগ্ৰহৰ অভাৱত মনোযোগ দিব পৰা নাযায়। সেইবাবেই মেকডুগেলে আগ্ৰহক মনোযোগৰ এক অন্তৰ্নিহিত অৱস্থা ৰূপে বৰ্ণনা কৰিছে। গতিকে আগ্ৰহ মনোযোগৰ প্ৰধান চৰ্ত্ত বিশেষ।

**(২) সহজাত প্ৰবৃত্তি (Instinct) :** জীৱই জন্মসূত্ৰে লাভ কৰা অন্তৰ্নিহিত জৈৱিক প্ৰৱণতা হৈছে সহজাত প্ৰবৃত্তি। এনে প্ৰবৃত্তিৰ তাড়ণাত আমি বিভিন্ন বস্তু, কাৰ্য্য বা ঘটনাৰ প্ৰতি মনোযোগ অনুভৱ কৰো। সন্তানৰ প্ৰতি মাতৃৰ অনুৰাগ এনে প্ৰবৃত্তিৰ দ্বাৰা পৰিচালিত হয়।

**(৩) আবেগ (Emotion) :** আবেগজনিত কাৰণতো বস্তুৰ প্ৰতি মনোযোগ বৃদ্ধি হয় বা হ্ৰাস ও হ'ব পাৰে। যেনে — নিজৰ বস্তু, নিজৰ সন্তান, আপোন মানুহ আদিৰ সৈতে আমাৰ আবেগ জড়িত হৈ থাকে বাবে এইবোৰৰ প্ৰতি আমি অধিক মনোযোগ অনুভৱ কৰোঁ। আনহাতে কাৰোবাক বেয়া পালে বা সদ্ভাৱ নাথাকিলে তেওঁৰ দোষত্ৰুটি উলিওৱাত মনোযোগ দিয়াদেখা যায়।

**(৪) কামনা বা বাসনা (Desire) :** কামনা বাসনাৰ দ্বাৰাও মনোযোগ প্ৰক্ৰিয়া প্ৰভাৱান্বিত হয়।

**(৫) অভ্যাস (Habit) :** কোনো বিষয় বা কামত অভ্যাস গঠিত হ'লেও পিছত সিয়েই মনোযোগৰ কাৰণ হোৱা দেখা যায়।

**(৬) পূৰ্ব অভিজ্ঞতা (Past Experience) :** পূৰ্ব অভিজ্ঞতাৰ স্মৃতি চাপেও মনোযোগ দৃঢ় কৰে।

**(৭) মানসিক সুস্থতা (Mental Soundness) :** মানসিক সুস্থতা মনোযোগ সৃষ্টিৰ এক অন্যতম কাৰণ। মানসিকভাৱে সুস্থ থাকিলে অৰ্থাৎ উত্তেজনা, দুশ্চিন্তা, ইত্যাদিৰ পৰা মন মুক্ত থাকিল

DAILY ASSAM



কেনো বিষয়ৰ প্ৰতি মনোযোগী হোৱাটো সম্ভৱ হৈ পৰে।

মুঠতে ওপৰত উল্লেখ কৰা মনোযোগৰ বাহ্যিক আৰু আভ্যন্তৰীণ কাৰণসমূহৰ প্ৰভাৱতেই আমি কোনো এটা বিষয় বা বস্তুত মনোযোগ প্ৰদান কৰো। এই ক্ষেত্ৰত মন কৰিবলগীয়া যে মনোযোগৰ বাহ্যিক কাৰণবোৰতকৈ আভ্যন্তৰীণ কাৰণবোৰ অধিক শক্তিশালী।

**মনোযোগৰ প্ৰকাৰ (Types of Attention) ঃ**

মনোযোগৰ স্বৰূপ আৰু বৈশিষ্ট্যৰ ভিত্তিত ইয়াক কেইবাটাও ভাগত ভাগ কৰা হৈছে। তাৰে দুটা ঘাই ভাগ হৈছে ঐচ্ছিক বা ইচ্ছাকৃত মনোযোগ আৰু অনৈচ্ছিক বা অনিচ্ছাকৃত মনোযোগ। এই ভাগ দুটা ব্যক্তিৰ মনোযোগ প্ৰদানৰ প্ৰতি মনৰ স্পৃহাৰ ওপৰত নিৰ্ভৰ কৰে।

**ক) ঐচ্ছিক বা ইচ্ছাকৃত মনোযোগ (Voluntary Attention) ঃ-** ঐচ্ছিক মনোযোগ-এই নামটোৰ পৰাই অনুমেয় যে এই ক্ষেত্ৰত ব্যক্তিয়ে আনৰ হস্তক্ষেপ নোহোৱাকৈ ইচ্ছাকৃতভাৱে পৰিৱেশৰ কোনো বস্তু বা বিষয়লৈ মনোযোগ প্ৰদান কৰে। যেতিয়া এজন ব্যক্তি বা মনোযোগকাৰীজনে দৈহিক আৰু মানসিকভাৱে মনোযোগ প্ৰদানৰ বাবে প্ৰস্তুত আৰু নিজ ইচ্ছা অনুসৰি মনোযোগ দিয়ে-তেনে ধৰণৰ মনোযোগক ঐচ্ছিক বা ইচ্ছাকৃত মনোযোগ বোলা হয়। ব্যক্তিৰ মনৰ তীব্ৰ আগ্ৰহৰ বা ইচ্ছাৰ ফলশ্ৰুতি হিচাপে এইবিধ মনোযোগৰ সৃষ্টি হয়। উদাহৰণস্বৰূপে যিসকল শিক্ষাৰ্থীৰ অধ্যয়নৰ প্ৰতি স্পৃহা আছে, জীৱনত প্ৰতিষ্ঠিত হোৱাৰ আকাংক্ষা আছে তেওঁলোকৰ বাধা-বিঘিনি থাকিলেও অধ্যয়নত মনোযোগ দিব। এইখিনিতে মনত ৰখা উচিত যে কণ কণ শিশুসকলৰ ঐচ্ছিক মনোযোগ দিয়াৰ ক্ষমতা নেথাকে। কেৱল ডাঙৰ ল'ৰা-ছোৱালী আৰু বয়স্কসকলৰ ক্ষেত্ৰত এনে মনোযোগ পৰিলক্ষিত হয়।

ঐচ্ছিক মনোযোগক মনোবিদসকলে আকৌ দুটা ভাগত ভাগ কৰিছে —এবিধ স্পষ্ট বা নিশ্চিত (Explicit) আৰু আনবিধ অনুমিত (Implict)। স্পষ্ট বা নিশ্চিত ঐচ্ছিক মনোযোগ এনে এবিধ প্ৰকাৰ য'ত ব্যক্তিয়ে পৰিৱেশৰ প্ৰয়োজনীয়তা বা প্ৰভাৱৰ ফলত কোনো এবিধ বস্তু বা বিষয়ৰ প্ৰতি স্পষ্ট অথবা নিশ্চিতভাৱে ইচ্ছাকৃত মনোযোগ প্ৰদান কৰে। গতিকে ক'ব পাৰি যে যি ঐচ্ছিক মনোযোগ পৰিৱেশৰ কোনো কাৰকৰ প্ৰভাৱৰ ফলত নিশ্চিতভাৱে প্ৰদান কৰা হয়, সেয়ে ঐচ্ছিক স্পষ্ট বা নিশ্চিত মনোযোগ। খেলুৱৈ এজনে খেলবিধৰ প্ৰতি দিয়া মনোযোগ।


অনুমিত ঐচ্ছিক মনোযোগ স্পষ্ট বা নিশ্চিত মনোযোগৰ সম্পূৰ্ণ বিপৰীতধৰ্মী মনোযোগ। এইবিধ মনোযোগ পৰিৱেশৰ বাহ্যিক কাৰকৰ দ্বাৰ সৃষ্টি নহয়। ই এজন ব্যক্তিৰ অন্তৰৰ পৰা উদ্ভৱ হোৱা মনোযোগ। যেতিয়া কোনো এক বিষয় বা বস্তুৰ প্ৰতি এজন ব্যক্তিৰ মন, মানসিক ভাৱ-অনুভূতি আদি জড়িত হৈ থাকে, তেতিয়া সেই বিষয়ৰ প্ৰতি যি গভীৰ মনোযোগৰ সৃষ্টি হয় সেয়েই অনুমিত ঐচ্ছিক মনোযোগ। এইবিধ মনোযোগৰ সহজে পৰিৱৰ্তন নহয়। যেনে -অভিনয় ভালপোৱা, মানুহৰ নাটকৰ প্ৰতি মনোযোগ। এইখিনিতে এটা কথা স্মৰণীয় যে অনুমিত মনোযোগ প্ৰদানৰ বাবে ব্যক্তিৰ মানসিক বুদ্ধিমত্তা, সৃজনাত্মক ক্ষমতা, মনৰ গভীৰ চিন্তাশীলতা আদি গুণসমূহৰ প্ৰয়োজন।

**খ) অনৈচ্ছিক বা অনিচ্ছাকৃত মনোযোগ (Involuntary attention) :-** এইবিধ ঐচ্ছিক মনোযোগৰ বিপৰীতধৰ্মী। অনৈচ্ছিক মনোযোগ ঘাইকৈ উদ্দীপকৰ তীব্ৰতা আৰু আকৰ্ষণীয় ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰে। ই ব্যক্তিমনৰ নিজস্ব ইচ্ছা-অনিচ্ছা বা ভাব-অনুভূতিৰ ওপৰত নিৰ্ভৰশীল নহয়। পৰিবেশৰ কোনো বিষয় বা বস্তু যদি অতিশয় আকৰ্ষণীয় অথবা প্ৰভাৱশালী হয়, সি সহজেই ব্যক্তিক উদ্দীপিত কৰে আৰু ফলস্বৰূপে ইচ্ছাহীন অৱস্থাতো মনোযোগ প্ৰদানৰ বাবে বাধ্য হয়। গতিকে এইবিধ মনোযোগ প্ৰবৃত্তিগত ব ইচ্ছাকৃত নহয়। ঐচ্ছিক মনোযোগৰ দৰে এইবিধ মনোযোগত সেয়েহে ধ্যান, বুদ্ধিমত্তা, মানসিক পৰিপক্কতা আদিৰ প্ৰয়োজন নহয়। উদাহৰণস্বৰূপে ৰাস্তাৰ গাড়ীৰ তাব্ৰ হৰ্ণ, উজ্জল পোহৰ আদিলৈ অনিচ্ছাকৃভাৱে হ'লেও স্বতঃস্ফুৰ্তভাৱে মনোযোগ দিয়া হয়।

অনৈচ্ছিক মনোযোগক মনোবিদসকলে আকৌ দুটা ভাগত ভাগ কৰিছে — আৰোপিত (Enforced) আৰু স্বতঃস্ফূৰ্ত (Sponteneous)।

আৰোপিত অনৈচ্ছিক মনোযোগৰ নামটোৰ পৰাই বুজিব পাৰি যে এইবিধ মনোযোগ ব্যক্তিয়ে ইচ্ছাকৃতভাৱে প্ৰদান নকৰে, বৰঞ্চ মনোযোগ দিবৰ বাবে বাধ্য হয়। যেতিয়া পৰিৱেশৰ কোনো বিষয় বা বস্তু অতিশয় শক্তিশালী অথবা আকৰ্ষণীয় হয়, তেনেক্ষেত্ৰত উদ্দীপকৰ প্ৰভাৱৰ ফলতেই মনোযোগ দিবলৈ বাধ্য হোৱা যায়। এনেধৰণৰ মনোযোগক অনৈচ্ছিক আৰোপিত মনোযোগ বোলা হয়। যেনে কোনো চকুত চমক লগোৱা পোহৰ বা ৰং।

আৰোপিত মনোযোগ বলপূৰ্বক বুলি ক'ব পাৰি। কিন্তু স্বতঃস্ফূৰ্ত ঐচ্ছিক মনোযোগ তেনে নহয়। ইয়াত কোনো আগ্ৰহৰ বিষয়বস্তুৰ প্ৰতি ব্যক্তিয়ে আপোনা-আপুনি বা স্বতঃস্ফূৰ্তভাৱে মনোযোগ প্ৰদান কৰে। উদাহৰণস্বৰূপে এজন ক্ৰিকেটপ্ৰেমীৰ খেল প্ৰতি মনোযোগক আগ্ৰহক এইবিধৰ বুলিব পাৰি।




*মনোযোগৰ প্ৰকাৰ (ঘাই দুবিধ)*

ওপৰত উল্লেখিত ঘাই দুবিধ মনোযোগৰ উপৰিও মনোবিদসকলে আৰু কেইবিধমান মনোযোগৰ প্ৰকাৰ উল্লেখ কৰিছে। তলত তেনেধৰণৰ কেইবিধমান মনোযোগ সম্বন্ধে আলোচনা কৰা হ'ল—

**ক) ভাৱাত্মক আৰু সংবেদনাত্মক মনোযোগ (Ideational and Sensual Attention) :-** মনোযোগ যেতিয়া এজন ব্যক্তিৰ নিজস্ব ভাৱ-অনুভূতিৰ ওপৰত নিৰ্ভৰশীল হয়, সেই মনোযোগক ভাৱাত্মক মনোযোগ বোলা হয়। এই মনোযোগ ইন্দ্ৰিয় উদ্দীপনাৰ জৰিয়তে সৃষ্টি নহয়। গতিকে যেতিয়া বহিঃ উদ্দীপকৰ শক্তিশালী প্ৰভাৱৰ দ্বাৰা নহয়, ব্যক্তিৰ নিজস্ব ভাৱ-অনুভূতি, কল্পনা আদিৰ পৰিপ্ৰেক্ষিতত কোনো বিষয়ৰ প্ৰতি মনোযোগ প্ৰদান কৰা হয়, তেনে মনোযোগক ভাৱাত্মক মনোযোগ বোলা হয়।

সংবেদনাত্মক মনোযোগ ভাৱাত্মকৰ বিপৰীতধৰ্মী। আমি পঞ্চেন্দ্ৰিয়ৰ সহায়েৰে বিভিন্ন

DAILY ASSAM



সংবেদন লাভ কৰো। গতিকে সংবেদন লাভৰ ফলত ইন্দ্ৰিয়ৰ সহায়েৰে যি মনোযোগ প্ৰদান কৰা হয় তাকে সংবেদনাত্মক মনোযোগ বোলে। এইবিধ মনোযোগ ঘাইকৈ তিনিবিধ কাৰক বা অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে —উদ্দীপকৰ আকৰ্ষণীয় ক্ষমতা, পঞ্চেন্দ্ৰিয়ৰ কাৰ্যকুশলতা আৰু মস্তিষ্কৰ প্ৰতিক্ৰিয়াশীল শক্তি। গতিকে ক'ব পাৰি যে উদ্দীপকৰ প্ৰভাৱৰ ফলত পঞ্চেন্দ্ৰিয় উত্তেজিত হৈ যি মনোযোগ প্ৰদান কৰে সেয়েই সংবেদনাত্মক মনোযোগ। তীব্ৰ পোহৰৰ প্ৰতি চকুৰ সহায়েৰে যি মনোযোগ দিয়া হয়, ই এক সংবেদনাত্মক মনোযোগৰ উদাহৰণ।

**খ) বিশ্লষণাত্মক আৰু সংশ্লেষণাত্মক মনোযোগ Analytic and Synthetic Attention) :-** মনোযোগ কি ধৰণে প্ৰদান কৰা হয় তাৰ ওপৰত ভিত্তি কৰি ইয়াক বিশ্লেষণাত্মক আৰু সংশ্লেষণাত্মক নামৰ দুটা ভাগত ভাগ কৰা হৈছে। বিষয়বস্তুৰ সকলো দিশ বিচাৰ কৰি যেতিয়া মনোযোগ নিবদ্ধ কৰা হয়, তাক বিশ্লেষণাত্মক মনোযোগ বোলে। মনোযোগ প্ৰদানৰ বেলিকা যিকোনো বিষয় বা বস্তু এগোট বা একক হিচাপে লক্ষ্য নকৰি যদি পুঙ্খানুপুঙ্খভাৱে বিবেচনা কৰা হয় তেনে মনোযোগক বিশ্লেষণাত্মক বুলি ক'ব পাৰি। উদাহৰণস্বৰূপে কাপোৰ এযোৰ ক্ৰয় কৰাৰ সময়ত দাম, কাপোৰৰ গুণাগুণ, ৰঙৰ সংমিশ্ৰণ আদি সকলো দিশলৈ মনোযোগ প্ৰদান কৰাতো বিশ্লেষণাত্মক মনোযোগ।

সংশ্লেষণাত্মক মনোযোগ বিশ্লেষণাত্মকৰ বিপৰীতমুখী। এইক্ষেত্ৰত বিষয়বস্তুটোক এক গোট বা একক হিচাপে পৰীক্ষণ কৰা হয়। বিষয়বস্তু বা উদ্দীপকৰ বিভিন্ন অংশ বা দিশসমূহ মনত একত্ৰিত কৰি এক গোট হিচাপে মনোযোগ ন্যস্ত কৰা হয়। উদাহৰণস্বৰূপে এখন ছবি নিৰীক্ষণ কৰোতে বিভিন্ন দিশ পৃথক পৃথক হিচাপে পৰ্যবেক্ষণ নকৰি যেতিয়া একক হিচাপে ছবিখনৰ প্ৰতি মনোযোগ দিয়া হয়, সেয়ে সংশ্লেষণাত্মক মনোযোগ।




মনোযোগৰ কেইটামান প্ৰকাৰ

**কাৰ্যাৱলী - ৫**

শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ ব্যৱহাৰিক জীৱনৰ অভিজ্ঞতাৰে তেওঁলোকে বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰ কৰা বেলেগ বেলেগ প্ৰকাৰৰ মনোযোগৰ উদাহৰণ দিবলৈ ক'ব পাৰে।

**গ) প্ৰত্যক্ষ আৰু পৰোক্ষ মনোযোগ (Immediate amd Derived Attention) :** মনোবিদসকলে মনোযোগক প্ৰত্যক্ষ আৰু পৰোক্ষ হিচাপেও দুটা ভাগ কৰিছে। এই ভাগ দুটা মনোযোগ প্ৰদান কৰা বিষয়বস্তুটোৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি কৰা হৈছে। যদি বিষয়বস্তু বা উদ্দীপক অতিশয় শক্তিশালী আৰু আকৰ্ষণীয় হয়, তেনে ক্ষেত্ৰত ই

অতি সহজে ব্যক্তিৰ মনোযোগ আকৰ্ষণ কৰে। এনেদৰে উদ্দীপকৰ শক্তিশালী প্ৰভাৱে যেতিয়া ব্যক্তিৰ মনোযোগ তৎকালীনভাৱে আকৰ্ষণ কৰিব পাৰে, তেনে মনোযোগকে প্ৰত্যক্ষ মনোযোগ বোলা হয়। সাধাৰণতে মনোযোগ প্ৰদান কৰা বিষয়বস্তু বা উদ্দীপকৰ বিশেষ এক গুণে এনে মনোযোগৰ উদ্ভৱ কৰে-যেনে আকাৰ, তীব্ৰতা, নতুনত্ব আদি।

আনহাতে পৰোক্ষ মনোযোগৰ ক্ষেত্ৰত উদ্দীপকৰ নিজস্ব গুণে ব্যক্তিৰ মনোযোগ আকৰ্ষণ নকৰে। বৰঞ্চ উদ্দীপকৰ লগত সংলগ্ন বা সংযোগ থকা অন্য কিবা কাৰণতহে মনোযোগ প্ৰদান কৰা হয়। আমাৰ পৰিৱেশৰ এক বস্তু বা বিষয়ৰ হয়তো নিজস্ব আকৰ্ষণীয় ক্ষমতা নাথাকিব পাৰে, কিন্তু সেই বস্তু বা বিষয়ৰ লগত যদি অতি গুৰুত্বপূৰ্ণ বা আকৰ্ষণীয় কিবা জড়িত থাকে, তেতিয়া আওপকিয়াভাৱে ই আমাৰ মনোযোগ আকৰ্ষণ কৰে। এনেধৰণৰ মনোযোগক পৰোক্ষ মনোযোগ বোলা হয়। উদাহৰণস্বৰূপে কেলেণ্ডাৰৰ পোন্ধৰ আগষ্ট তাৰিখটোৱে আমাৰ মনোযোগ এইকাৰণেই আকৰ্ষণ কৰে যে এই তাৰিখটোৰ লগত আমাৰ দেশৰ স্বাধীনতা লাভৰ কথা জড়িত আছে।

**আগ্ৰহৰ অৰ্থ (Meaning of interest) :**

মনোযোগৰ ক্ষেত্ৰত পৰিৱেশৰ কোনো বস্তু বা বিষয়ৰ ওপৰত মনৰ সচেতনতাক নিবদ্ধ কৰা হয়, আগ্ৰহ হৈছে মনোযোগৰ সবাতোকৈ প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ আভ্যন্তৰীণ কাৰণ অৰ্থাৎ আগ্ৰহে আমাক মনোযোগ প্ৰদানৰ বাবে উৎসাহিত কৰে।

ইংৰাজী 'Interest' (আগ্ৰহ) শব্দটো এটা লেটিন শব্দৰ পৰা উৎপত্তি হৈছে, ইয়াৰ উৎপত্তিগত অৰ্থ হ'ল "It-matters" অৰ্থাৎ কিবা ক্ষেত্ৰত গুৰুত্ব থকা আৰু "It concerns" মানে কোনো বিষয়ৰ লগত সম্বন্ধ ঘটা, সম্বন্ধ স্থাপন কৰা, গতিকে ক'ব পাৰি যে যেতিয়া কোনো বিষয়বস্তু এজনৰ বাবে গুৰুত্বপূৰ্ণ হয় আৰু বিষয়টোৰ লগত এক সম্বন্ধ স্থাপিত হয়, তেতিয়াই আগ্ৰহ হৈ পৰে। এজন ছাত্ৰৰ ফুটবল খেলাৰ প্ৰতি আগ্ৰহ আছে বুলিলে ইয়াকে বুজায় যে খেলবিধ তেওঁৰ বাবে গুৰুত্বপূৰ্ণ আৰু সেই বিশেষ খেলবিধৰ লগত তেওঁৰ এক সম্বন্ধ ঘটিছে। গতিকে যেতিয়া পৰিৱেশৰ কোনো বস্তু বা বিষয় আমাৰ বাবে গুৰুত্ব পূৰ্ণ হয় আৰু তাৰ লগত এক মানসিক সম্বন্ধ স্থাপিত হয়, তেনে অৱস্থাকেই আগ্ৰহ ওপজা বুলি কোৱা হয়।

**আগ্ৰহৰ বৈশিষ্ট্য (Characteristics of Interest) :**

আগ্ৰহৰ নিজস্ব কেতবোৰ বৈশিষ্ট্য আছে। আগ্ৰহৰ স্বৰূপ বুজিবৰ বাবে এই বৈশিষ্ট্যসমূহ জনা প্ৰয়োজন —

(ক) আগ্ৰহ মনৰ এক অন্তৰ্নিহিত অৱস্থা যি মনোযোগ প্ৰদানৰ বাবে ব্যক্তিক প্ৰেৰণা যোগায়।

(খ) আগ্ৰহ ব্যক্তিৰ নানাধৰণৰ অনুভূতি জড়িত অভিজ্ঞতাৰ পৰা উদ্ভৱ হ'ব পাৰে।

(গ) আগ্ৰহক মনোযোগৰ প্ৰধান কাৰক বুলি বিবেচনা কৰা হয়।

**আগ্ৰহৰ প্ৰকাৰ (Types of Interest) :**

আগ্ৰহ দুই প্ৰকাৰৰ হ'ব পাৰে — সুপ্ত আৰু আৰ্জিত। যিসমূহ আগ্ৰহ প্ৰবৃত্তিৰ পৰা উদ্ভৱ হয়, সেইসমূহক সুপ্ত আগ্ৰহ বোলা হয়। যেনে খাদ্যৰ প্ৰতি আগ্ৰহ। এইবিধ আগ্ৰহ খাদ্য অন্বেষণ প্ৰবৃত্তিৰ

DAILY ASSAM



পৰা উদ্ভৱ হৈছে। আনহাতে আৰ্জিত আগ্ৰহ জীৱন কালত মানুহে শিক্ষা, অভিজ্ঞতা, প্ৰশিক্ষণ আদিৰ ফলস্বৰূপে আহৰণ কৰে, যেনে -কম্পিউটাৰৰ খেলাৰ প্ৰতি আগ্ৰহ।

আগ্ৰহ দীৰ্ঘস্থায়ী আৰু ক্ষণস্থায়ী দুয়োবিধৰেই হ'ব পাৰে। পিতৃমাতৃৰ সন্তানৰ প্ৰতি আগ্ৰহ দীৰ্ঘস্থায়ী আগ্ৰহৰ এক উদাহৰণ। আনহাতে দৈনিক খবৰ কাগজখনৰ প্ৰতি যি আগ্ৰহ সি ক্ষণস্থায়ী।

**মনত ৰাখিবলগীয়া**

১। আগ্ৰহ শব্দটোৰ ইংৰাজী প্ৰতিশব্দ 'Interest' শব্দটো লেটিন শব্দৰ পৰা উৎপত্তি হৈছে। ইয়াৰ অৰ্থ হৈছে 'It matters' or 'It concerns' ।

২। আগ্ৰহে বিষয় বা বস্তুৰ লগত এক মানসিক সম্বন্ধ স্থাপিত কৰে।

৩। আগ্ৰহ এক অন্তৰ্নিহিত মানসিক অৱস্থা।

৪। আগ্ৰহৰ লগত অন্তৰ্নিহিত অনুভূতি জড়িত।

৫। আগ্ৰহ মনোযোগৰ প্ৰধান কাৰক।

৬। আগ্ৰহ দুই প্ৰকাৰৰ , সুপ্ত আৰু আৰ্জিত।

৭। আগ্ৰহ কেতিয়াবা দীৰ্ঘস্থায়ী আৰু কেতিয়াবা ক্ষণস্থায়ী।

**আগ্ৰহৰ উৎস বা আগ্ৰহক প্ৰভাৱিত কৰা দিশসমূহ (Source of Interest or factors that influence Interest) ঃ**

আগ্ৰহ এক ব্যক্তিনিষ্ঠ অৱস্থা। সেইবাবে ব্যক্তিৰ আগ্ৰহ ব্যক্তিমনৰ নিজ নিজ অৱস্থা আৰু পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে। ব্যক্তিৰ দেহ-মনৰ সুস্থতা, প্ৰয়োজন, পৰিৱেশৰ অনুকূল পৰিস্থিতি আদি আগ্ৰহ প্ৰদানৰ লগত জড়িত হৈ আছে। তলত আগ্ৰহ সৃষ্টিকাৰী কেইটামান দিশৰ কথা উল্লেখ কৰা হ'ল—

**(১) দৈহিক অৱস্থা ঃ** দৈহিকভাৱে সুস্থ ব্যক্তিহে বিভিন্ন পৰিস্থিতিৰ প্ৰতি আগ্ৰহী হয়। দৈহিকভাৱে ক্লান্ত আৰু অসুস্থ অৱস্থাত কোনো লোকে স্বতঃস্ফূৰ্তভাৱে মনৰ আগ্ৰহ প্ৰকাশ কৰিব নোৱাৰে।

**(২) বৌদ্ধিক যোগ্যতা ঃ** ব্যক্তিৰ বৌদ্ধিক যোগ্যতায়ো ব্যক্তিৰ আগ্ৰহ নিৰ্ধাৰণ কৰে। হীনবুদ্ধিৰ ব্যক্তিসকল বিষয়বস্তুৰ প্ৰতি সহজে আগ্ৰহী নহয়। তীক্ষ্ণ বুদ্ধিৰ লোকসকলৰ মনত পৰিবেশৰ বিভিন্ন বিষয়বস্তুৰে প্ৰতিক্ৰিয়া কৰি আগ্ৰহৰ সৃষ্টি কৰে।

**(৩) লিংগ পাৰ্থক্য ঃ** লিংগভেদে ব্যক্তিৰ আগ্ৰহ ভিন্ন ভিন্ন হয়। সেইবাবে পুৰুষ আৰু মহিলা, অথবা ল'ৰা আৰু ছোৱালীৰ আগ্ৰহৰ বিষয়বস্তুসমূহৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়।

**(৪) পৰিবেশৰ প্ৰভাৱ ঃ** আগ্ৰহৰ ওপৰত পৰিবেশৰো প্ৰভাৱ দেখা যায়। সেয়েহে বিদ্যালয়ৰ আকৰ্ষণীয় বৈষয়িক অৱস্থাই শিশুৰ মনত শিক্ষা গ্ৰহণৰ বাবে আগ্ৰহৰ সৃষ্টি কৰে। আনহাতেদি পৰিবেশৰ আকৰ্ষণহীনতাই শিক্ষা গ্ৰহণৰ আগ্ৰহ নোহোৱা কৰি পেলায়।

**(৫) শিক্ষণ পদ্ধতি ঃ** শিক্ষাৰ্থীৰ মনত আগ্ৰহ সৃষ্টিৰ ক্ষেত্ৰত শিক্ষণ পদ্ধতিৰ ইতিবাচক আৰু নেতিবাচক প্ৰভাৱ দেখা যায়। শিক্ষাদানৰ বাবে বিজ্ঞানসন্মত প্ৰগতিশীল শিক্ষন পদ্ধতি গ্ৰহণ কৰিলে ছাত্ৰ-চাত্ৰীৰ মনত সততে শিক্ষা গ্ৰহণৰ প্ৰতি আগ্ৰহৰ সৃষ্টি হয়।

**মনোযোগ আৰু আগ্ৰহৰ সম্বন্ধ (Relation between Attention and Interest) ঃ-** মনোযোগ প্ৰদানৰ ক্ষেত্ৰত পৰিৱেশৰ কোনো বিষয় বা বস্তুৰ ওপৰত মনৰ সচেতনতাক নিবদ্ধ কৰা হয়। আগ্ৰহ মনৰ এনে এক অৱস্থা যি মনোযোগ গঢ় লৈ

উঠাত ইন্ধন যোগায়। গতিকে বুজিব পৰা যায় যে মনোযোগ আৰু আগ্ৰহৰ এক অবিচ্ছেদ্য সম্বন্ধ আছে।

আগ্ৰহ প্ৰত্যেক ব্যক্তিৰ মনৰ মাজৰ এক সুপ্ত বা অন্তৰ্নিহিত মানসিক অৱস্থা। ইয়েই আমাক পৰিৱেশৰ বিভিন্ন বস্তু বা বিষয়ৰ পৰা এটা বাছি লৈ মনোনিবেশ কৰিবলৈ উৎসাহ যোগায়। সেয়েহে আগ্ৰহ অবিহনে মনোযোগ সম্ভৱ নহয় বুলি কোৱা হয়। কোনো বিষয়ৰ প্ৰতি আগ্ৰহ থাকিলে অতি স্বাভাৱিকভাৱে বা প্ৰচেষ্টাবিহীনভাৱেই মনোযোগৰ সৃষ্টি হয়।

মনোযোগ আৰু আগ্ৰহৰ এনে গাঢ় সম্বন্ধৰ প্ৰতি লক্ষ্য ৰাখি বিখ্যাত মনোবিদ মেক্‌ডুগলে (Mc Dougal) তেখেতৰ গ্ৰন্থ "An Outline of Psychology" ত এনেধৰণে মন্তব্য আগবঢ়াইছে— "আগ্ৰহ সুপ্ত মনোযোগ আৰু মনোযোগ আগ্ৰহৰ সক্ৰিয়তা" অথবা "আগ্ৰহ মনোযোগৰ সুপ্ত অৱস্থা আৰু মনোযোগ আগ্ৰহৰ সক্ৰিয় অৱস্থা মাথোন।" ("Interest is latent attention and attention is interest in action") ইয়াৰ দ্বাৰা তেখেতে ইয়াকে বুজাব খুজিছে মনোযোগ আগ্ৰহৰ এনে ওতঃপ্ৰোত সম্বন্ধ যে এবিধ আনবিধৰ পৰা পৃথক কৰিব নোৱাৰি। যেতিয়ালৈকে আমাৰ মনত মনোযোগ নিষ্কৰ্ম বা সুপ্ত অৱস্থাত থাকে সেই অৱস্থাক মেক্‌ডুগলে আগ্ৰহ বুলি কৈছে। যি মুহূৰ্ততে সুপ্ত আগ্ৰহ পৰিৱেশৰ কোনো কাৰকৰ ফলত জাগ্ৰত হৈ পৰে তেনে অৱস্থাক মনোযোগ বোলা হয়। গতিকে মেকডুগেলৰ মতে আগ্ৰহ মনোযোগৰ এক প্ৰধান কাৰণ।

মনোযোগ আৰু আগ্ৰহৰ নিকট সম্বন্ধৰ বিষয়ে উল্লেখ কৰি মনোবিদ জে.এম ৰ'চে তেখেতৰ বিখ্যাত গ্ৰন্থ "Ground Work of Educational Psychology" ত এনেধৰণে মন্তব্য কৰিছে — "মনোযোগ আৰু আগ্ৰহ একেটা মুদ্ৰাৰে দুটা পিঠি সদৃশ। ("Attention and interest are like two sides of the same coin") এই দুয়োবিধক এটাৰ পৰা আনটোক পৃথক কৰিব নোৱাৰি।

আনহাতে কোনো কোনো মনোবিদে আগ্ৰহক মনোযোগৰ একমাত্ৰ চৰ্ত্ত বুলি মানি ল'বলৈ অগ্ৰাহ্য কৰিছে। আগ্ৰহ অবিহনে মনোযোগ সম্ভৱ নহয় বুলি এইসকল মনোবিদে বিশ্বাস নকৰে। তেওঁলোকৰ মতে আগ্ৰহহীন বিষয় বা বস্তুৰ প্ৰতিও মনোযোগ প্ৰদান সম্ভৱ। কেতিয়াবা বিশেষ প্ৰয়োজনবশতঃ বা পৰিস্থিতিৰ ফলস্বৰূপে এজন ব্যক্তিক আগ্ৰহ নথকা স্বত্বেও ইচ্ছাকৃতভাৱে মনোযোগ প্ৰদান কৰা দেখা যায়।

এইটোও দৃশ্যমান যে কেৱল আগ্ৰহেহে মনোযোগৰ সৃষ্টি কৰে এনে নহয়, মনোযোগেও আগ্ৰহৰ জন্ম দিব পাৰে। উদাহৰণস্বৰূপে এজন ছাত্ৰৰ হয়তো কোনো বিষয়ৰ প্ৰতি আগ্ৰহ নাই। কিন্তু সেইটো বিষয়ত ইচ্ছাকৃতভাৱে অধিক মনোযোগ যদি প্ৰদান কৰা হয়, তাৰ ফলত ধীৰে ধীৰে বিষয়টোলৈ আগ্ৰহ উপজিব।

গতিকেই সামৰণিত ক'ব পাৰি যে আগ্ৰহ আৰু মনোযোগৰ সম্বন্ধ অবিচ্ছেদ্য। এটাক আনটোৰ পৰা পৃথক হিচাপে বিবেচনা কৰা অৰ্থহীন। আগ্ৰহে যিদৰে মনোযোগৰ সৃষ্টি কৰে, মনোযোগেও আগ্ৰহৰ জন্ম দিব পাৰে।

DAILY ASSAM



কাৰ্যাৱলী- ২ঃ

শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ব্যক্তিগত জীৱনৰ কেইটামান ব্যক্তিগত অভিজ্ঞতাৰ উদাহৰণ দিবলৈ ক'ব যিবিলাকৰ ক্ষেত্ৰত মনোযোগৰ বাবে আগ্ৰহৰ প্ৰয়োজন হয় আৰু যিবিলাকৰ ক্ষেত্ৰত আগ্ৰহৰ প্ৰয়োজন নহয়।

৪) **শিক্ষাক্ষেত্ৰত মনোযোগ আগ্ৰহৰ গুৰুত্ব (Importance of Attention and Interest in Education)** ঃ- মনোযোগৰ অৰ্থ হ'ল পৰিৱেশৰ কোনো বিষয় বা বস্তুৰ ওপৰত মনৰ সচেতনতা আৰোপ কৰা। আগ্ৰহ মনোযোগৰ প্ৰধান স্বৰ্ত্ত বা আভ্যন্তৰীণ কাৰণ। গতিকেই অনুমান কৰিব পাৰি যে এই দুয়োবিধ কাৰ্যৰে শিক্ষাক্ষেত্ৰত যথেষ্ট গুৰুত্ব আছে।

মনোবিদসকলে মনোযোগ আৰু আগ্ৰহৰ শিক্ষাৰ ক্ষেত্ৰত যে এক বিশেষ ভূমিকা আছে সেইবিষয়ে প্ৰায়েই আঙুলিয়াই আহিছে। এই দুয়োবিধৰ অবিহনে শিক্ষণ প্ৰচেষ্টা ফলপ্ৰসু হ'ব নোৱাৰে। ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক জীৱনৰ কৃতকাৰ্যতা ঘাইকৈ তেওঁলোকৰ মনোযোগ-আগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰে।

শিক্ষাক্ষেত্ৰত বিশেষ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি মনোবিদসকলে মনোযোগ আৰু আগ্ৰহক শিক্ষা প্ৰক্ৰিয়াৰ উপায় আৰু সমাপ্তি" ("Means and ends") বুলি অভিহিত কৰিছে। যি কোনোধৰণৰ ফলপ্ৰসু শিক্ষণৰ বাবে ব্যক্তিৰ মানসিক সজাগতা আৰু ইচ্ছাৰ নিতান্তই প্ৰয়োজন। আনহাতে কেৱল মনোযোগ আৰু আগ্ৰহেহে এনে মানসিক অৱস্থাৰ সৃষ্টি কৰিব পাৰে, সেয়েহে মনোযোগ আৰু আগ্ৰহক শিক্ষাক্ষেত্ৰত উপায় আৰু সমাপ্তি বুলি কোৱা হয়।

এটা সময় আছিল যেতিয়া শ্ৰেণীকোঠাত কেৱল শিক্ষকৰেই প্ৰাধান্য আছিল। শিক্ষকে সকলো বিষয়বস্তু ব্যাখ্যা কৰি যায় আৰু শিক্ষাৰ্থীসকলে কেৱল শ্ৰোতা হিচাপে বহি থাকে। কিন্তু আধুনিক শিক্ষা পদ্ধতিত শিক্ষাৰ্থীৰ স্ব-শিক্ষাৰ ওপৰত বেছি গুৰুত্ব দিয়া হেছে। শিক্ষকৰ ঘাই দায়িত্ব হৈছে মনোযোগ আৰু আগ্ৰহৰ বিকাশ ঘটাই শিক্ষাৰ্থীসকলক স্ব-শিক্ষাৰ প্ৰতি অভিৰোচিত কৰা। এই দায়িত্ব পালনৰ বাবে অৱশ্যে প্ৰতিজন শিক্ষকৰেই শিক্ষাক্ষেত্ৰত মনোযোগ আৰু আগ্ৰহৰ বিকাশ সম্বন্ধে জ্ঞান থকাৰ প্ৰয়োজন।

শিক্ষাক্ষেত্ৰত মনোযোগ আৰু আগ্ৰহ বিকাশৰ অৰ্থে শিক্ষকসকলে নিম্নলিখিত বিষয়সমূহৰ প্ৰতি ধ্যান দিয়া প্ৰয়োজন —

(ক) মনোযোগৰ বিভিন্ন ধৰণৰ বস্তুনিষ্ঠ আৰু ব্যক্তিনিষ্ঠ কাৰণ আছে। কেতবোৰ মনকৰিবলগীয়া বস্তুনিষ্ঠ কাৰণ হৈছে—আকাৰ, উজ্জ্বলতা, নতুনত্ব, গতিশীলতা, বৈসাদৃশ্য ইত্যাদি। শিক্ষাক্ষেত্ৰত বিশেষকৈ কণ কণ শিশুক শিকাওঁতে তেওঁলোকৰ মনোযোগ আকৰ্ষণৰ বাবে এই বস্তুনিষ্ঠ বা বাহ্যিক কাৰণসমূহৰ প্ৰতি সচেতন হোৱা প্ৰয়োজন। উদাহৰণস্বৰূপে নিম্ন শ্ৰেণীত শিক্ষাদান কৰোতে শিক্ষকে ল'ৰা-ছোৱালীৰ মনোযোগ-আগ্ৰহৰ বৰ্দ্ধনৰ বাবে ৰঙীণ উজ্জ্বল ছবি, উজ্জ্বল ৰঙৰ শিক্ষণ সঁজুলি আদি ব্যৱহাৰ কৰা উচিত। ব্যক্তিনিষ্ঠ বা আভ্যন্তৰীণ কাৰণৰ ভিতৰত ব্যক্তিমনৰ আবেগ, আনুভূতি, আগ্ৰহ, অতীত অভিজ্ঞতা, শিক্ষণৰ পুনৰাবৃত্তি আদিয়েই প্ৰধান। ওপৰৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক পাঠদানৰ ক্ষেত্ৰত শিক্ষকে তেওঁলোকৰ মনোযেগ-আগ্ৰহ আকৰ্ষণৰ বাবে বিভিন্ন ব্যক্তিনিষ্ঠ বা আভ্যন্তৰীণ কাৰণসমূহ মনত ৰখা উচিত ।

(খ) আমাৰ শিক্ষানুষ্ঠান সমূহত শিক্ষাৰ্থীক শিক্ষণৰ প্ৰতি মনোযোগী বা আগ্ৰহান্বিত কৰিবলৈ দুই ধৰণৰ ব্যৱস্থাৰ সহায় লোৱা হয়। সেইয়া হৈছে পুৰস্কাৰ আৰু শাস্তি। এইটো সত্য যে শিক্ষাক্ষেত্ৰত পুৰস্কাৰ আৰু শাস্তিৰ ভূমিকা নুই কৰিব নোৱাৰি। এই ব্যৱস্থাই কিছু পৰিমাণে হ'লেও মনোযোগ-আগ্ৰহ আকৰ্ষণত সহায় কৰে। কিন্তু ইয়াৰ অতিমাত্ৰা প্ৰয়োগ ক্ষতিকাৰক। বিশেষকৈ দৈহিক শাস্তি অৱলম্বন কৰাটো উচিত নহয়।

(গ) মনোবিদসকলৰ মতে শিক্ষকে তাত্ত্বিক শিক্ষণতকৈ ব্যৱহাৰিক শিক্ষণৰ ওপৰত অধিক গুৰুত্ব দিব লাগে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীক নিজ হাতে-কামে কৰি শিকিবলৈ সুবিধা দিলে, মনোযোগ-আগ্ৰহ বৰ্দ্ধনত লাভৱান হোৱা যায়। গতিকে ঐচ্ছিক মনোযোগ বিকাশৰ ক্ষেত্ৰত ব্যৱহাৰিক শিক্ষণ পদ্ধতি বিশেষভাৱে সহায়কাৰী।

(ঘ) মনোযোগ-আগ্ৰহ বৰ্দ্ধনৰ ক্ষেত্ৰত শিক্ষণত পুনৰাবৃত্তিয়ে এক বিশেষ ভূমিকা গ্ৰহণ কৰে বুলি কোৱা হয়। যিকোনো বিষয়বস্তু শিকাৰ সময়ত হয়তো প্ৰথমাৱস্থাত শিক্ষাৰ্থীৰ মনোযোগ-আগ্ৰহ নুপজিব পাৰে, কিন্তু শিক্ষকে যদি পুনৰাবৃত্তিৰ সহায় লয়, তেন্তে সহজেই মনোযোগ-আগ্ৰহ আকৰ্ষিত হ'ব। কিন্তু পুনৰাবৃত্তিৰ প্ৰয়োগ অধিক হ'লে সি আমনিদায়ক মনোযোগ-আগ্ৰহ প্ৰদানত বাধাৰহে সৃষ্টি কৰিব। গতিকে শিক্ষকে পুনৰাবৃত্তি প্ৰয়োগত সাৱধানতা অৱলম্বন কৰা প্ৰয়োজন।

(ঙ) শিক্ষাদান আৰু গ্ৰহণৰ সময় সীমাৰ ওপৰতো মনোযোগ-আগ্ৰহ নিৰ্ভৰ কৰে। যদি বিৰতিবিহীনভাৱে বহুসময় ধৰি শিক্ষা গ্ৰহণ কৰিব লগা হয়, তেতিয়া ছাত্ৰ-ছাত্ৰীসকল মানসিকভাৱে বাগৰি যায়। ফলস্বৰূপে মনোযোগ অথবা আগ্ৰহ প্ৰদান কৰিবলৈ অক্ষম হৈ পৰে।

(চ) হাঁহিক সৰ্বোত্তম ঔষধ বুলি কোৱা হয়। শ্ৰেণীকোঠাত শিক্ষকে হাস্যৰস প্ৰয়োগৰ সহায় ল'ব পাৰে। যিকোনে বিষয় পাঠদান কৰোতে হাস্যৰস থকা উদাহৰণ ব্যৱহাৰ কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰীয়ে আমোদ পোৱাৰ লগতে মনোযোগ আৰু আগ্ৰহ স্বতঃস্ফূৰ্তবাৱে প্ৰদানত সহায়কাৰী হয়।

## সাৰাংশ

মনোযোগ আৰু আগ্ৰহ দুবিধ অতি প্ৰয়োজনীয় মানসিক কাৰ্য। মনোযোগৰ অৰ্থ হ'ল, পৰিৱেশৰ কোনো বিষয় বা বস্তুৰ ওপৰত মনৰ সচেতনতাক আৰোপন কৰা কাৰ্য। ইয়াৰ মনকৰিবলগীয়া বৈশিষ্ট্য এয়ে যে ই বাছনিধৰ্মী আৰু অতিশয় গতিশীল। ইয়াক প্ৰকৃতাৰ্থত স্থায়িত্বহীন বুলিয়েই ক'ব পাৰি। মনোযোগৰ বিভিন্ন প্ৰকাৰ আছে। যেনে — ঐচ্ছিক মনোযোগ, অনৈচ্ছিক মনোযোগ, ভাৱাত্মক, সংবেদনাত্মক, বিশ্লেষণাত্মক, সংশ্লেষণাত্মক, প্ৰত্যক্ষ, পৰোক্ষ মনোযোগ আদি।
আনহাতে আগ্ৰহ মনৰ এনে এক অৱস্থা বিশেষ যি ব্যক্তিৰ মনোযোগ সৃষ্টিত সহায় কৰে। প্ৰকৃতাৰ্থত আগ্ৰহক মনোযোগৰ ঘাই আভ্যন্তৰীণ কাৰণ হিচাপে গণ্য কৰা হয়।

মনোযোগ আৰু আগ্ৰহৰ মাজত ওতঃপ্ৰোত সম্বন্ধ আছে। দুয়োবিধ পাৰস্পৰিকভাৱে নিৰ্ভৰশীল। আগ্ৰহে যিদৰে মনোযোগৰ জন্ম দিয়ে মনোযোগেও ব্যক্তিমনত আগ্ৰহ ওপজাৰ ক্ষেত্ৰত সহায় কৰিব পাৰে।

DAILY ASSAM



এই দুয়োটাৰ গাঢ় সম্বন্ধৰ প্ৰতি লক্ষ্য ৰাখি মনোবিদ ৰ'চে আগ্ৰহ আৰু মনোযোগ একেটা মুদ্ৰাৰে ইপিঠি সিপিঠি সদৃশ বুলি মন্তব্য কৰিছে।

শিক্ষাক্ষেত্ৰত মনোযোগ আৰু আগ্ৰহৰ এক বিশেষ ভূমিকা আছে। কাৰণ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱনৰ সফলতা-বিফলতা ঘাইকৈ মনোযোগ-আগ্ৰহৰ ওপৰতে নিৰ্ভৰ কৰে। সেয়েহে মনোবিদসকলে এই দুবিধক শিক্ষা প্ৰক্ৰিয়াৰ 'উপায় আৰু সমাপ্তি' (Means and Ends) বুলি অভিহিত কৰিছে।

আধুনিক মনোবিদসকলৰ মতে শিক্ষাক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক যথাসম্ভৱ স্ব-শিক্ষাৰ (Self-learning) বাবে অভিপ্ৰায়িত কৰিব লাগে। এনে কৰিলে স্বাভাৱিকতেই শিক্ষা লাভৰ প্ৰতি শিক্ষাৰ্থীৰ মনোযোগ আৰু আগ্ৰহ বাঢ়ে। তাৰোপৰি নানাধৰণৰ শিক্ষণ পদ্ধতি, নত্‌-নত্‌ আকৰ্ষণীয় শিক্ষণ সঁজুলি আদি ব্যৱহাৰ কৰি শিক্ষকে শিক্ষা লাভৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মনোযোগ, আগ্ৰহ বঢ়াই তুলিবলৈ চেষ্টা কৰিব লাগে,কাৰণ মনোযোগ, আগ্ৰহ অবিহনে গ্ৰহণ কৰা শিক্ষা ফলপ্ৰসূ নহয়। সেয়েহে এইক্ষেত্ৰত শিক্ষকৰ এক বিশেষ ভূমিকা আছে। কেৱল ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আৰু আগ্ৰহৰ বিকাশৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

## প্ৰশ্নাৱলী

**ৰচনাত্মক প্ৰশ্ন ঃ**

১। মনোযোগ কাক কয়। মনোযোগৰ কেইটামান সংজ্ঞা আগবঢ়োৱা।

২। মনোযোগৰ কেইটামান মনকৰিবলগীয়া বৈশিষ্ট্যৰ বিষয়ে লিখা।

৩। উদাহৰণসহ ব্যাখ্যা কৰা —

(ক) ভাৱাত্মক আৰু সংবেদনাত্মক মনোযোগ।

(খ) বিশ্লেষণাত্মক আৰু সংশ্লেষণাত্মক মনোযোগ।

৪। আগ্ৰহ কি? ইয়াৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

৫। মনোযোগ আৰু আগ্ৰহৰ সম্বন্ধ বিচাৰ কৰা।

৬। আগ্ৰহ আৰু মনোযোগৰ শিক্ষাক্ষেত্ৰত গুৰুত্ব সম্পৰ্কে আলোচনা আগবঢ়োৱা।

৭। তলত দিয়া উক্তিকেইটা ব্যাখ্যা কৰা -

(ক) "আগ্ৰহ মনোযোগৰ সুপ্ত অৱস্থা আৰু মনোযোগ আগ্ৰহৰ সক্ৰিয় অৱস্থা।"

(খ) "মনোযোগ আৰু আগ্ৰহ একেটা মুদ্ৰাৰে দুটা পিঠি মাথোন।"

(গ) "আগ্ৰহ শিক্ষাৰ উপায় আৰু সমাপ্তিও"।

৮। এগৰাকী শিক্ষক হিচাপে নিজকে গণ্য কৰি লৈ শিক্ষাৰ্থীৰ মনোযোগ আৰু আগ্ৰহ বৰ্দ্ধনৰ বাবে কি কি উপায় অৱলম্বন কৰিবা?

৯। মনোযোগৰ বস্তুনিষ্ঠ আৰু ব্যক্তিনিষ্ঠ কাৰণবোৰ ব্যাখ্যা কৰা।

১০। আগ্ৰহৰ উৎসসমূহ বৰ্ণনা কৰা।

১১। তলত দিয়া বিষয়সমূহৰ বিষয়ে চমুকৈ লিখা —

(ক) মনোযোগৰ স্বৰূপ।

(খ) ঐচ্ছিক মনোযোগ কি? উদাহৰণ দিয়া।

(গ) ঐচ্ছিক মনোযোগ কাক কয়? ইয়াৰ ভাগ দুটা উল্লেখ কৰা।

**চমুকৈ উত্তৰ দিবা —**

১। সংবেদনাত্মক মনোযোগ কি? উদাহৰণ দি বুজোৱা।

২। আগ্ৰহৰ অৰ্থ ব্যাখ্যা কৰা।

৩। প্ৰত্যক্ষ আৰু পৰোক্ষ মনোযোগ মানে কি বুজা?

৪। আগ্ৰহৰ কেইটামান ঘাই বৈশিষ্ট্য উল্লেখ কৰা।

৫। সুপ্ত আৰু আৰ্জিত আগ্ৰহ বুলিলে কি বুজা?

তলত দিয়া প্ৰতিটো বাক্যৰ বিপৰীতে "শুদ্ধ" বা "অশুদ্ধ" লিখি উত্তৰ দিবা—

১। মনোযোগে মনৰ সচেতনতাক আৰোপিত কৰা নুবুজায়।

২। আগ্ৰহ মনোযোগৰ এক আভ্যন্তৰীণ কাৰণ।

৩। সকলো বয়সৰ ল'ৰা-ছোৱালীয়ে বিশ্লেষমাত্মক মনোযোগ প্ৰদান কৰিব পাৰে।

৪। কেৱল বয়সস্থলোকেহে ভাৱাত্মক মনোযোগ দিব পাৰে।

৫। প্ৰবৃত্তিৰ পৰা সৃষ্টি হোৱা আগ্ৰহক সুপ্ত আগ্ৰহ বোলে।

৬। দীৰ্ঘ সময় ধৰি মনোযোগ প্ৰদান সম্ভৱ নহয়।

৭। আৰ্জিত আগ্ৰহ সকলো জীৱৰে ক্ষেত্ৰত সমপৰ্যায়ৰ।

৮। একে সময়তে দুটা বিষয়ত মনোযোগ দিব নোৱাৰি।

৯। আগ্ৰহ স্থায়ী আৰু অস্থায়ী দুয়োধৰণৰ হ'ব পাৰে।

১০। মনোযোগ আৰু আগ্ৰহৰ মাজত কাচিৎহে সম্বন্ধ দেখা যায়।